# NSD NEWS BULLETIN
# ALL INDIA RADIO, GUWAHATI

0000000000

**Date :** 15-04-2026
**Time :** 0705 hrs

*Assamese Morning Bulletin*

## HEADLINES

১। সংসদীয় পৰিক্ৰমা মন্ত্ৰী কিৰেণ ৰিজিজুৱে সংসদৰ বিশেষ অধিৱেশনত উত্থাপন কৰিবলগীয়া মহিলাৰ বাবে আসন সংৰক্ষণ বিধেয়কখনক সন্তুলিত আখ্যা দিছে।

২। মিজোৰাম চৰকাৰে কালি হমাৰ পিপ'লচ কনভেনচন ডেমক্ৰেটিকৰ লালমিং থাংগাং সনাতে নেতৃত্বাধীন গোটৰ সৈতে এখন ঐতিহাসিক চুক্তিত স্বাক্ষৰ কৰে।

৩। ছত্তিশগড়ৰ শক্তি জিলাৰ বেদান্ত লিমিটেডৰ শক্তি প্ৰকল্পত হোৱা বিস্ফোৰণত নিহত লোকৰ সংখ্যা ১৩ লৈ বৃদ্ধি পাইছে।

৪। বিহাৰৰ উপ মুখ্যমন্ত্ৰী তথা বিজেপি নেতা সম্ৰাট চৌধুৰীয়ে আজি ৰাজ্যখনৰ নতুন মুখ্যমন্ত্ৰী হিচাপে শপত গ্ৰহণ কৰিব।

*আৰু*

৫। আই পি এল ক্ৰিকেট প্ৰতিযোগিতাত যোৱানিশা চেন্নাই ছুপাৰ কিংছে কলকতা নাইট ৰাইডাৰ্ছক ৩২ ৰানত পৰাস্ত কৰে।

ooooo

সংসদীয় পৰিক্ৰমা মন্ত্ৰী কিৰেণ ৰিজিজুৱে সংসদৰ বিশেষ অধিৱেশনত উত্থাপন কৰিবলগীয়া মহিলাৰ বাবে আসন সংৰক্ষণ বিধেয়কখনক সন্তুলিত আখ্যা দিছে। তেওঁ লগতে বিধেয়কখনে প্ৰতিখন ৰাজ্য, সম্প্ৰদায় আৰু অঞ্চলৰ আশা-আকাংক্ষা পূৰণ কৰিব বুলি মন্তব্য কৰে। নতুন দিল্লীত কালি সাংবাদিকৰ সৈতে হোৱা কথা-বতৰাত শ্ৰীৰিজিজুৱে কয়, যে বিধেয়কখন সন্দৰ্ভত তেওঁ প্ৰতিটো ৰাজনৈতিক দলৰ সৈতে যোগাযোগ কৰিছে আৰু কোনো এটা দলে কাইলৈৰ পৰা শনিবাৰলৈ চলিবলগীয়া সংসদৰ বিশেষ অধিৱেশনত উত্থাপন কৰিবলগীয়া বিধেয়কখনৰ বিৰোধীতা কৰা নাই। প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে ৰাষ্ট্ৰীয় স্বাৰ্থৰ বিষয়টোৰ ক্ষেত্ৰত একেলগে আগবাঢ়ি অহাৰ বাবে সকলো ৰাজনৈতিক দলৰ প্ৰতি কৃতজ্ঞতা প্ৰকাশ কৰা বুলি তেওঁ জানিবলৈ দিয়ে। শ্ৰীৰিজিজুৱে কয়, যে মহিলাৰ বাবে আসন সংৰক্ষণ কেতিয়াও ৰাজনৈতিক বিষয় হ'ব নোৱাৰে আৰু মহিলাৰ বাবে আসন সংৰক্ষণৰ প্ৰক্ৰিয়াত অধিক বিলম্ব হ'লে ই বেদনাদায়ক হ'ব।

ooooo

মিজোৰাম চৰকাৰে কালি হমাৰ পিপ'লচ কনভেনচন ডেমক্ৰেটিকৰ লালমিং থাংগাং সনাতে নেতৃত্বাধীন গোটৰ সৈতে এখন ঐতিহাসিক চুক্তিত স্বাক্ষৰ কৰে। এই চুক্তিৰ ফলত ৰাজ্যখনত সন্ত্ৰাসবাদৰ সম্পূৰ্ণৰূপে অন্ত

পৰিছে। দ্বিপাক্ষিক চুক্তিখনত পৰিষদৰ বাবে আৱণ্টিত বাজেট বৃদ্ধি, বিশেষ উন্নয়ন পেকেজ, আন্তঃগাঁথনি উন্নয়ন আৰু যোগাযোগ বৃদ্ধিসহ মিজোৰামৰ উত্তৰ আৰু উত্তৰ-পূব অংশৰ হমাৰ বসতি প্ৰধান ছিনলুং পাৰ্বত্য পৰিষদ অঞ্চলৰ সৰ্বাত্মক উন্নয়নত গুৰুত্ব আৰোপ কৰা হৈছে।

চুক্তিখনত ৫ ডিচেম্বৰত উদযাপন কৰা সৰ্ববৃহৎ আৰু গুৰুত্বপূৰ্ণ হমাৰ মহোৎসৱক ছিকপুই ৰুঅ'ইৰ মৰ্যাদা দিয়াৰ ব্যৱস্থা কৰা হৈছে। কৰৰডাইত আয়োজিত এটা অনুষ্ঠানত মিজোৰামৰ গৃহ সচিব ডেভিড লালথনলুৱাংগাই ৰাজ্য চৰকাৰৰ হৈ আৰু হমাৰ পিপ'লচ কনভেনচন ডেমক্ৰেটিকৰ অধ্যক্ষ সনাতে গোটটোৰ হৈ চুক্তিত স্বাক্ষৰ কৰে। চুক্তি স্বাক্ষৰ অনুষ্ঠানত মুখ্যমন্ত্ৰীৰ উপদেষ্টা আৰু বিধায়ক লালমুৱানপুইয়া পুন্তে, গৃহ মন্ত্ৰ্যালয়ৰ জ্যেষ্ঠ নেতাসকল উপস্থিত থাকে। চুক্তি অনুসৰি সনাতে নেতৃত্বাধীন হমাৰ পিপ'লচ কনভেনচন ডেমক্ৰেটিক গোটটোৰ সদস্যসকলে অস্ত্ৰ সম্বৰণ কৰিব আৰু সন্ত্ৰাসবাদী কাৰ্যকলাপ পৰিহাৰ কৰি সমাজৰ মূল সুঁতিলৈ উভতি আহিব।

ooooo

ছত্তিশগড়ৰ শক্তি জিলাৰ বেদান্ত লিমিটেডৰ শক্তি প্ৰকল্পত হোৱা বিস্ফোৰণত নিহত লোকৰ সংখ্যা ১৩ লৈ বৃদ্ধি পাইছে। জিলাখনৰ আৰক্ষী অধীক্ষকে জনোৱা মতে কালি দিনৰ প্ৰায় আঢ়ৈ বজাত বইলাৰ পৰা টাৰ্বাইনলৈ উচ্চ চাপৰ জলীয় বাষ্প প্ৰৱাহী টিউবত হোৱা বিস্ফোৰণত কেইবাজনো শ্ৰমিক অগ্নিদগ্ধ হয়। তেওঁ কয়, যে ৪ জন শ্ৰমিকৰ থিতাতে মৃত্যু হয় আৰু বিস্ফোৰণত আহত প্ৰায় ৩০ জনক ততাতৈয়াকৈ ৰায়গড় আৰু বিলাসপুৰ জিলাৰ বিভিন্ন চিকিৎসালয়ত ভৰ্তি কৰোৱা হয়।

প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে এই দূৰ্ঘটনাক লৈ গভীৰ শোকপ্ৰকাশ কৰিছে। শ্ৰীমোদীয়ে প্ৰধানমন্ত্ৰীৰ ৰাষ্ট্ৰীয় সাহায্য পুঁজিৰ পৰা দূৰ্ঘটনাত প্ৰাণ হেৰুওৱা শ্ৰমিকসকলৰ নিকট আত্মীয়লৈ ২ লাখ টকাকৈ আৰু আহতসকলক ৫০ হাজাৰ টকাকৈ আগবঢ়োৰ কৰা ঘোষণা কৰিছে। তেওঁ লগতে আহতসকলৰ আশুআৰোগ্য কামনা কৰিছে। ছত্তিছগড় মুখ্যমন্ত্ৰী বিষ্ণু দেঅ' ছাইয়ে দুৰ্ঘটনাটোত গভীৰ শোকপ্ৰকাশ কৰিছে আৰু বিস্ফোৰণত প্ৰাণ হেৰুওৱা শ্ৰমিকসকলৰ নিকট আত্মীয়লৈ ৫ লাখ আৰু আহত সকলক ৫০ হাজাৰ টকাকৈ ক্ষতিপূৰণ আগবঢ়াৰ কথা ঘোষণা কৰিছে। তেওঁ বিলাশপুৰ সংমণ্ডলৰ আয়ুক্তক ঘটনাৰ তদন্ত কৰিবলৈ নিৰ্দেশ দিছে। জিলা প্ৰশাসনেও ঘটনাৰ দণ্ডাধীষ পৰ্যায়ৰ সুকীয়া তদন্তৰ নিৰ্দেশ দিছে।

ooooo

প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে ২৬ এপ্ৰিলত আকাশবাণীৰ মন কী বাত অনুষ্ঠানৰ জৰিয়তে দেশ-বিদেশৰ জনসাধাৰণৰ আগত নিজৰ মনৰ ভাব ব্যক্ত কৰিব। এয়া হ'ব অনুষ্ঠানটোৰ ১৩৩ সংখ্যক খণ্ড। জনসাধাৰণে ১৮০০ ১১ ৭৮০০ শুল্ক বিহীন নম্বৰত ফোন কৰি এই অনুষ্ঠানৰ বাবে নিজৰ মতামত আৰু দিহা-পৰামৰ্শ আগবঢ়াব পাৰিব। জনসাধাৰণে নমো এপ নাইবা মাই গ'ভ মুকলি মঞ্চৰ জৰিয়তেও ২৪ এপ্ৰিলৰ ভিতৰত নিজৰ পৰামৰ্শ প্ৰেৰণ কৰিব পাৰে। এই অনুষ্ঠান আকাশবাণী আৰু দূৰদৰ্শনৰ আটাইবোৰ নেটৱৰ্কৰ উপৰি আকাশবাণীৰ ৱেৱছাইট আৰু newsonair মোবাইল এপৰ জৰিয়তে শুনিবলৈ পোৱা যাব। প্ৰধানমন্ত্ৰীৰ কাৰ্যালয়, তথ্য আৰু সম্প্ৰচাৰ মন্ত্ৰালয়, আকাশবাণী আৰু দূৰদৰ্শনৰ ইউটিউব চেনেল যোগেও এই অনুষ্ঠান প্ৰচাৰ কৰা হ'ব। আকাশবাণীয়ে অনুষ্ঠানটো প্ৰচাৰ হোৱাৰ ঠিক পাছতেই ইয়াৰ আঞ্চলিক ভাষান্তৰ প্ৰচাৰ কৰিব।

ooooo

বিহাৰৰ উপ মুখ্যমন্ত্ৰী তথা বিজেপি নেতা সম্ৰাট চৌধুৰীয়ে আজি দিনৰ ১১ বজাত পাটনাৰ লোক ভৱনত আয়োজিত এটা অনুষ্ঠানত  ৰাজ্যখনৰ নতুন মুখ্যমন্ত্ৰী হিচাপে শপত গ্ৰহণ কৰিব। শ্ৰীচৌধুৰী ৰাজ্যখনৰ মুখ্যমন্ত্ৰী পদত অধিস্থিত বিজেপিৰ প্ৰথমগৰাকী নেতা হব। শ্ৰীচৌধুৰীয়ে কাল ৰাজ্যপাল অৱসৰপ্ৰাপ্ত লেফটেনেণ্ট জেনেৰেল চৈয়দ অটা হচনেইনক সাক্ষাৎ কৰে আৰু চৰকাৰ গঠনৰ বাবে দাবী উত্থাপন কৰে।

ooooo

ৰাষ্ট্ৰপতি শ্ৰীমতী দ্ৰৌপদী মুৰ্মু আজি দুদিনীয়া ভ্ৰমণসূচীৰে মহাৰাষ্ট্ৰত উপস্থিত হ'ব। ৰাষ্ট্ৰপতিগৰাকী নাগপুৰৰ অখিল ভাৰতীয় আয়ুৰ্বিজ্ঞান প্ৰতিষ্ঠানৰ দ্বিতীয় সমাৱৰ্তন সমাৰোহত অংশগ্ৰহণ কৰিব। এই অনুষ্ঠানত ২১০ গৰাকী শিক্ষাৰ্থীক ডিগ্ৰীৰ প্ৰমাণ-প্ৰত্ৰ আৰু সোণৰ পদক প্ৰদান কৰা হ'ব। বিয়লি শ্ৰীমতী মুৰ্মুৱে নাগপুৰৰ ৰাষ্ট্ৰীয় প্ৰত্যক্ষ কৰ একাডেমীত ভাৰতীয় ৰাজহ সেৱাৰ আয়কৰ শাখাৰ প্ৰশিক্ষাৰ্থী বিষয়াসকলৰ ৭৮ সংখ্যক বেটছৰ বিদায় অনুষ্ঠানত ভাগ ল'ব। ৰাষ্ট্ৰপতিগৰাকীয়ে কাইলৈ ৱাৰ্ধাৰ মহাত্মা গান্ধী আন্তঃৰাষ্ট্ৰীয় হিন্দী বিশ্ববিদ্যালয়ৰ ষষ্ঠ সমাৱৰ্তন সমাৰোহত উপস্থিত থাকিব।

ooooo

প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদী আজি দিনজোৰা ভ্ৰমণসূচীৰে কৰ্ণাটকলৈ যাব। ভ্ৰমণকালত শ্ৰীমোদীয়ে মন্দ্যা জিলাৰ শ্ৰীক্ষেত্ৰ আদিচুনচনগিৰিত শ্ৰীগুৰু ভৈৰৱৈক্য মন্দিৰ উদ্বোধন কৰিব আৰু এখন জনসভাত ভাষণ দিব। শ্ৰীমোদীয়ে লগতে প্ৰাক্তন প্ৰধানমন্ত্ৰী এইছ ডি দেবেগৌড়াৰ সৈতে সৌন্দৰ্য লহৰী আৰু শিৱ মহিম্না স্তোত্ৰম নামৰ গ্ৰন্থ যুটীয়াভাৱে উন্মোচন কৰিব।

ooooo

আমেৰিকা যুক্তৰাষ্ট্ৰই কেইদিনমানৰ ভিতৰত ইৰাণৰ সৈতে পুনৰ শান্তি আলোচনা আৰম্ভ হ'ব পাৰে বুলি ইংগিত দিছে। দেশখনৰ ৰাষ্ট্ৰপতি ডোনাল্ড ট্ৰাম্পে কৈছে, যে আমেৰিকা আৰু ইৰাণৰ মাজত অহা দুদিনৰ ভিতৰত পাকিস্তানত পুনৰ আলোচনা আৰম্ভ হ'ব পাৰে। শ্ৰীট্ৰাম্পে এটা সাক্ষাৎকাৰত কয়, যে এই আলোচনাত অহা ২১ এপ্ৰিলত সমাপ্ত হ'বলগীয়া দুসপ্তাহ জোৰা যুদ্ধ বিৰতিৰ ম্যাদ বৃদ্ধিত বিশেষ গুৰুত্ব আৰোপ কৰা হ'ব। ইৰাণৰ পাৰমাণৱিক কাৰ্যসূচীক লৈ দুয়োখন দেশৰ মাজত মতভেদ অব্যাহত আছে। আমেৰিকাই ইৰাণৰ পৰমাণু সমৃদ্ধকৰণ প্ৰক্ৰিয়া বন্ধ কৰিব বিচৰাৰ বিপৰীতে ইৰাণে দেশখনৰ বিৰুদ্ধে আৰোপ কৰা নিষেধাজ্ঞা প্ৰত্যাহাৰ কৰাৰ আৰু যুদ্ধৰ বাবে হোৱা লোকচানৰ ক্ষতিপূৰণৰ দাবী কৰি আহিছে।

ইপিনে, আমেৰিকাৰ বিদেশ মন্ত্ৰী মাৰ্ক ৰুবিঅ'ৰ অধ্যক্ষতাত লেবানন আৰু ইজৰাইলৰ মাজত কালি ৱাশ্বিংটনত প্ৰাৰম্ভিক পৰ্যায়ৰ পোনপটীয়া আলোচনা অনুষ্ঠিত হয়। ১৯৮০ৰ দশকৰ প্ৰথম ভাগৰ পাছত এয়া আছিল দেশ দুখনৰ মাজত প্ৰথমলানি প্ৰত্যক্ষ কূটনৈতিক আলোচনা। প্ৰাপ্ত বাতৰি অনুসৰি আলোচনাত সুৰক্ষা ব্যৱস্থা আৰু জনসাধাৰণৰ সৈতে জড়িত বিষয়সমূহে আগস্থান লাভ কৰে। বৈঠকত ইজৰাইলৰ সামৰিক গতিবিধি আৰু বিবদমান এলেকাসমূহৰ পৰা প্ৰত্যাৱৰ্তনৰ বাবে লেবাননে জনাই অহা দাবীক লৈও আলোচনা কৰা হয়। লেবাননৰ বিষয়াসকলে হিজবুল্লা সন্দৰ্ভত ৰাজহুৱাভাৱে একো মন্তব্য কৰা নাই। হিজবুল্লাই আলোচনাৰ বিৰোধীতা কৰিছে।

ooooo

আই পি এল ক্ৰিকেট প্ৰতিযোগিতাত যোৱানিশা চেন্নাইৰ এম এ চিদাম্বৰম ষ্টেডিয়ামত অনুষ্ঠিত এখন খেলত চেন্নাই ছুপাৰ কিংছে কলকতা নাইট ৰাইডাৰ্ছক ৩২ ৰানত পৰাস্ত কৰে। খেলখনত চেন্নাই ছুপাৰ কিংছে প্ৰথমে বেট

ধৰাৰ আমন্ত্ৰণ লাভ কৰি নিৰ্ধাৰিত ২০ অভাৰত ৫ উইকেটৰ বিনিময়ত ১৯২ ৰান কৰে। চেন্নাইৰ হৈ  সঞ্জু ছেমচনে ৪৮, ডিৱাল্ড ব্ৰেভিছে ৪১ আৰু আয়ুষ মহাত্ৰেই ৩৮ ৰানৰ বৰঙণি আগবঢ়ায়। প্ৰত্যুত্তৰত কলকতা নাইট ৰাইডাৰ্ছে আৰম্ভণিৰে পৰা সংঘৰ্ষ কৰিবলগীয়া হয় আৰু নুৰ আহমেদৰ সুন্দৰ বলিঙৰ সন্মুখত তিষ্ঠিব নোৱাৰি ৯১ ৰানতে ৬টা উইকেট হেৰুৱাই। ইয়াৰ পাছত ৰমনদ্বীপ সিং আৰু ৰোভমেন পাৱালে সপ্তম উইকেটৰ যুটিত ৬৩ ৰান যোগ দিয়ে যদিও জয়ৰ বাবে পৰ্যাপ্ত নহয় আৰু দলটোৱে নিৰ্ধাৰিত ২০ অভাৰত ৭ উইকেটৰ বিনিময়ত ১৬০ ৰানহে কৰিবলৈ সমৰ্থ হয়। কলকাতাৰ হৈ তিনিটা উইকেট দখল কৰা নুৰ আহমেদক প্লেয়াৰ অব দ্যা মেচ হিচাপে ঘোষণা কৰা হয়।

প্ৰতিযোগিতাত আজি বাংগালুৰুৰ এম চিন্নাস্বামী ষ্টেডিয়ামত হ'বলগীয়া এখন খেলত ৰয়েল চেলেঞ্জাৰ্ছ বাংগালুৰু লক্ষ্ণৌ ছুপাৰ জায়েণ্টছৰ সন্মুখীন হ'ব। খেলখন সন্ধিয়া চাৰে ৭ বজাত আৰম্ভ হ'ব।

০০০০০

**সমাপ্ত**